# অসমীয়া ভাষাৰ উচ্চাৰণ

জাহ্নৱী কলিতা

ভাষাৰ ক্ষুদ্ৰতম একক হ'ল ধ্বনি আৰু উচ্চাৰিত ধ্বনি সমষ্টিৰ প্ৰতীকেই হ'ল ভাষা। বাক্ যন্ত্ৰৰ বিভিন্ন অৱস্থানত অন্তৰ্গামী আৰু বহিৰ্গামী বায়ুপ্ৰবাহ বাধাপ্ৰাপ্ত হৈ ধ্বনিৰ সৃষ্টি হয়। ভাষাত উচ্চাৰিত ধ্বনি সমষ্টিক দুটা ভাগত ভাগ কৰা হৈছে—

ক) স্বৰ ধ্বনি (Vowel)

খ) ব্যঞ্জন ধ্বনি (Consonent)

অসমীয়া ভাষাৰ উচ্চাৰণৰ বিষয়ে আলোচনা কৰাৰ পূৰ্বে ভাষাটোৰ স্বৰধ্বনিৰ বিষয়ে জানিব লাগিব। অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা আঠটা আৰু ব্যঞ্জনধ্বনিৰ সংখ্যা তেইশটা। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন ধ্বনি (Phone, Sound) আখৰ (letter) আৰু বৰ্ণ (Phoneme)— এই তিনিওটাৰ মাজত পাৰ্থক্য আছে। ধ্বনি ভাষাৰ কাণেৰে শুনা শ্ৰুয়মান প্ৰতীক; এই কাণেৰে শুনা প্ৰতীকৰ দৃশ্যমান প্ৰতীকেই আখৰ। এটা বা একাধিক ধ্বনি বিশ্লেষণী প্ৰক্ৰিয়াৰে লগ-লগাই একোটা ধ্বনিগোট কৰিলে সেই গোটকে বৰ্ণ (Phoneme) বোলে। অসমীয়া ভাষাৰ স্বৰবৰ্ণৰ আখৰমালাত আখৰ এঘাৰটা ঃ অ, আ, ই, ঈ, উ, ঊ, ঋ, এ, ঐ, ও, ঔ। বিশিষ্ট ধ্বনি আঠটাহে। ভাষাৰ বিৱৰ্তনৰ পৰিণতি স্বৰূপে দুটা স্বৰবৰ্ণ বাঢ়িল - অ' (ɔ̊) আৰু এ' (e)।

একেদৰে ব্যঞ্জনধ্বনিৰ সংখ্যা তেইশটা আৰু ব্যঞ্জন আখৰৰ সংখ্যা ৩৯ টা।

অসমীয়া ভাষাৰ ধ্বনিমালা বৰ্ণগত নহয়। যি ভাষাত প্ৰতিটো আখৰেই এটা বিশিষ্ট ধ্বনি, তেনে ভাষাত উচ্চাৰণৰ সমস্যা তুলনামূলকভাৱে নগণ্য। কিয়নো তেনে ভাষাত উচ্চাৰিত ধ্বনি আৰু আখৰৰ মাজত কোনো পাৰ্থক্য নাই। সংস্কৃত ধ্বনিগত বৰ্ণমালা থকা এটা ভাষা। অসমীয়া বৰ্ণমালা সংস্কৃত বৰ্ণমালাৰ আৰ্হিত তৈয়াৰ কৰা হৈছে যদিও এই বৰ্ণমালা সম্পূৰ্ণভাৱে উচ্চাৰণগত নহয়। কিছুমান ধ্বনি উচ্চাৰণ কৰা হয় এক ধৰণেৰে আৰু লেখা হয় বেলেগ ধৰণেৰে। যেনে— সংস্কৃতত স্বৰধ্বনিৰ দৈৰ্ঘ্য এটা বিশিষ্ট ৰূপ। অসমীয়া স্বৰধ্বনিৰ হ্ৰস্ব-দীৰ্ঘ লিখোঁতেহে ব্যৱহৃত হয়। উচ্চাৰণত সিহঁতৰ মাজত পাৰ্থক্য নাই। ই/ঈ, উ/ঊ ৰ ক্ষেত্ৰত হেমচন্দ্ৰ বৰুৱাই কৈছে - 'কোনো কোনো অসমীয়া শব্দৰ আদি স্বৰক দীৰ্ঘকৈ উচ্চাৰণ কৰা যায়। সেই উচ্চাৰণ বুজাবলৈ দীৰ্ঘস্বৰ ব্যৱহাৰ কৰা উচিত আৰু কৰাও হৈছে; যেনে ঘূ-ঘুৱা, কী-কিয়া, ৰী-ৰিয়া ইত্যাদি।[১]

তলত অসমীয়া ভাষাৰ স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি উচ্চাৰণৰ কেইটিমান বৈশিষ্ট্য আলোচনা কৰা হৈছে।

স্বৰধ্বনি উচ্চাৰণৰ বৈশিষ্ট্য ঃ

১) নাসিক্য ব্যঞ্জনৰ পিচত লগা প্ৰত্যেকটো স্বৰৰ উচ্চাৰণ ঈষৎ নাকীসুৰীয়া হয়। যেনে ঃ 'মানুহ' শব্দৰ ম-ত লগা আ আৰু ন-ত লগা উ-স্বৰ নাকীসুৰীয়া হৈ উচ্চাৰিত হয়[২] যেনে -

মানুহ => মআঁনউঁহ

জোনাক => যওনাআঁক

মঙহ => মঅঁঙঅঁহ ইত্যাদি

২) এটা মাত্ৰ স্বৰেৰে নিৰ্মিত শব্দৰ স্বৰটোৰ মাত্ৰা সদায় দীৰ্ঘ হয়। মনৰ আবেগ, অনুভূতি প্ৰকাশৰ বাবে ব্যৱহৃত কৰা স্বৰ যেনে -

অ ! —> অঃ (অঃ হয় নেকি ?)

ই ! —> ইঃ (ইঃ কি কৰিলা এইবোৰ)

৩) এটা ব্যঞ্জনবৰ্ণৰে গঠিত শব্দৰ পিচত সদায় 'অ' স্বৰধ্বনি উচ্চাৰিত হয় আৰু কিছু পৰিমাণে দীৰ্ঘ উচ্চাৰণ হয়।

যেনে ক—> কঃ অ (কথাটো ক ঃ অ)

দ—>দ ঃ অ (পুখুৰীৰ পানী দ ঃ অ)

৪) মাজত হাইফেনেৰে পৃথক কৰি নেদেখুওৱা সমাসসিদ্ধ প্ৰায়বিলাক শব্দৰ প্ৰথম পদৰ ব্যঞ্জন সাধাৰণতে অ-স্বকান্ত হয়। যেনে—

গজৰাজ —> গঅজঅৰআজ

দূৰভায —> দউৰভআয

লোকসভা —> লওকঅসঅভআ

উল্লিখিত নিয়মৰ ব্যতিক্ৰমী প্ৰয়োগো আছে । যেনে—

মাজনিশা —> মআজ্ নইষআ

বিধানসভা —> বইধআন্ সঅভআ।

উল্লেখযোগ্য যে ওপৰত উল্লেখ কৰা স্বৰান্ত শব্দবিলাকৰ আজিকালি বেছিভাগ মানুহেই ব্যঞ্জনান্তৰূপেহে উচ্চাৰণ কৰে। যেনে-

লোকসভা —> লওক্ সঅভআ

গজৰাজ —> গঅজ্ৰআজ

দূৰভায —> দউৰভআয

৫) অ' অসমীয়া ভাষাৰ এটা বিশিষ্ট ধ্বনি। কিন্তু অসমীয়া আখৰ লিপিত অ' বৰ্ণক প্ৰতিনিধিত্ব কৰিবলৈ নিৰ্দিষ্ট আখৰ নাই। সেয়েহে উচ্চাৰণ আৰু আখৰ জোঁটনিত কিছুমান সমস্যাৰ সৃষ্টি হয়। যেনে-

ব'ল —> বঅ'ল (যাবলৈ কোৱা)

বল —> বঅল (গাৰ শক্তি)

ক'ত —> কঅ'ত

কত —> কঅতঅ।

স্বৰসংযুতিৰ (Vowel harmony) নিয়ম অনুসৰি কোনো শব্দৰ পৰৱৰ্তী অক্ষৰত যদি উচ্চ স্বৰধ্বনি থাকে তেনেহ'লে পূৰ্ববতী অ/এ> অ'এ' হয়। যেনে -

ফৰিঙ —> ফঅ'ৰইঙ

খতি —> খঅ'তই

চকু —>- চ'অ' কউ। কিন্তু অ-কাৰান্ত

আখৰৰ ঠিক পাছতে অনুনাসিক বৰ্ণ থাকিলে এই নিয়মৰ ব্যতিক্ৰম দেখা যায়। যেনে—

অমিতা - অমইতআ

ৰঙিয়াল - ৰঅঙইয়আল

কমলা - কঅমঅলআ

৬) ই-স্বৰান্ত ধাতুত 'ইছ' প্ৰত্যয় যোগ হ'লে ক্ৰিয়াপদৰ 'ই' ৰ উচ্চাৰণ দীৰ্ঘ 'ঈ' হয়। যেনে—

দিছোঁ —> দইঃ দওঁ।

দিছিলোঁ —> দইঃছইলও

৭) কিছুমান অ-কাৰান্ত শব্দ ব্যঞ্জনান্ত ৰূপে উচ্চাৰিত হয় আৰু কিছুমান স্বৰান্ত হিচাপে ব্যৱহাৰ হয়। ব্যঞ্জনান্ত শব্দত হলন্ত চিন ব্যৱহাৰ কৰিব লাগে। কিন্তু বহুতো ব্যঞ্জন অ-স্বৰান্ত হলেও হলন্ত চিন দিয়া নহয় বাবে শব্দৰ উচ্চাৰণত খেলিমেলি লাগে। যেনে -

ব্যঞ্জনান্ত শব্দ

ঘৰ —> ঘঅৰ্

হাত —> হআত

পাৰ —> পআৰ্

ধান —> ধআন্

বাঁহ —> বআঁহ ইত্যাদি

স্বৰান্ত শব্দ

<u>নাৰ</u> <u>বাট</u> <u>পাভ</u> মাছ

আৰু এটি <u>কাছ</u>

<u>বাৰ</u> টকাত কিনি আনি

কিয় বাৰু <u>নাছ</u>।

প্ৰসংগক্ৰমে উল্লেখযোগ্য যে সংখ্যাবাচক শব্দ ১২ বুজাবৰ বাবে বাৰ স্বৰান্ত হয় আৰু দিনৰ হিচাপ বাৰ বুজাবৰ বাবে 'ৰ' ব্যঞ্জনান্ত হয়। এজন মাতৃভাষীয়ে উচ্চাৰণৰ ক্ষেত্ৰত থকা এই পাৰ্থক্য সহজে বুজি পায়। কিন্তু ন-শিকাৰু এজন লোকৰ বাবে এই পাৰ্থক্য নিৰ্ণয় কৰাটো অতি কঠিন।

৮) কোনো শব্দৰ পদান্তত 'আ' থাকিলে অসমীয়া সন্ধি পৰিৱৰ্তনৰ নিয়ম মতে 'অ' হয়; আকৌ তেনে 'অ' আৰু পদান্ত 'আ' 'ৰ' মাজত ই/ঈ, উ/ঊ সোমালে সেই অৰ উচ্চাৰণ অ হয়। যেনে—

বাওঁহাত + ঈয়া - বাওঁহতীয়া —> বআঁওহঅ'তঈআ

পথাৰ + উৱা - পথৰুৱা —> পঅ'থঅ'ৰউৱআ

ভাগৰ + উৱা - ভাগৰুৱা —> ভআগঅ'ৰউৱআ

৯) ঐ উচ্চাৰণ শব্দৰ অন্তত প্ৰায়ে এ হয়। কেতিয়াবা শব্দৰ মাজতো অ' হোৱা দেখা যায়। যেনে,

কৰিবলৈ - কৰিবলে —> কঅ'ৰইবঅ'লএ

মাতিবলৈ - মাতিবলে —> মআতইবঅলএ

সৈতে - স'তে —> সঅ'তএ

১০) অসমীয়া স্ত্ৰী বাচক শব্দবোৰ সাধাৰণতে ঈ-কাৰান্ত ৰূপে লেখা হয়। যেনে -

কাণী - কআনঈ

বগী - বঅ'গঈ

কাজলী - কআজঅ'লঈ

১১) শব্দৰ সকলো অৱস্থানতে ও পোৱা নাযায়। ও - ৰ প্ৰয়োগৰ সীমাবদ্ধতা আছে। পিছৰ অক্ষৰত গাতে লাগি থকা অথবা কোনো ব্যঞ্জনৰ ব্যৱধানত উ/ঊ থাকিলে, অথবা ও-ৰ পৰা হোৱা উ-স্বৰ আৰু অ-ৰ পৰা হোৱা অ-স্বৰ উচ্চাৰিত হ'লে আগৰ অক্ষৰত ও-স্বৰ বহিব নোৱাৰে। অৰ্থাৎ ও উচ্চাৰিত নহয়। তেনে পৰিৱেশত ও-ৰ উচ্চাৰণ কৰি সেই ও-ৰ ঠাইত উ- লিখা হয়।°

যেনে -

শো (ধাতু) + শ্‌ওই = শ্‌উই (= শুই ) => ষউই = ষউয়

সেইদৰে,

শো + ইছে = শউইছএ = (শুইছে) => ষউয়সএ

ওপজ + ই = ওপঅজই = (উপজি) => উপঅ'য়ই

ওচৰাওচৰি = ওচৰাউচৰি = ওযঅৰআউসঅৰই

১২) এ-স্বৰৰ পিছত ই বা উ স্বৰযুক্ত হ'লৈ এ ৰ উচ্চাৰণ এ হয়। যেনে -

এই —> এ'ই

সেই —> সএ'ই

সেউজী —> সএউজঈ